**বিজ্ঞান – ধাৰাৱাহিক / বহনক্ষম বিকাশ ...**

**খণ্ড ২৫ - মালিক নহয় – ৰখীয়া ...**

**ড° শ্যামা প্ৰসাদ শৰ্মা**

(মূল লেখনীৰ পৰা আভাস লোৱা হৈছে)

**চৰিত্ৰ সমূহ**

| | | | |
|---|---|---|---|
| ১. অভ্ৰনীল | ৫২/৫৩ | বাপেক | |
| ২. অংকিতা | | ৪৭/৪৮ | অভ্ৰৰ পত্নী |
| ৩. প্ৰজ্ঞা | | ২২/২৩ | অভ্ৰৰ ছোৱালী, কলেজীয়া ছাত্ৰী |
| ৪. অংকুৰ | ১৩/১৪ | অভ্ৰৰ ল'ৰা, স্কুলীয়া ছাত্ৰ | |
| ৫. প্ৰিয়াংশু | ৪০/৪২ | অভ্ৰৰ ডাঙৰ বায়েকৰ ল'ৰা | |

**শীৰ্ষক গীত আৰু ঘোষণা**

**(প্ৰজ্ঞাহতৰ ড্ৰয়িং ৰুম। বাই ভাইৰ কাজিয়া)**

প্ৰজ্ঞাঃ যাঃ অসুৰটো ক'ৰবাৰ! দাম বাঢ়িল বুলিয়েই আৰু কোনোবাই গাড়ী – স্কুটি নচলোৱাকৈ থাকিব নেকি?
অংকুৰঃ থাকিব তো! কিয় নাথাকিব??
প্ৰজ্ঞাঃ কেতিয়াও নাথাকে!
অংকুৰঃ থাকিব! থাকিবই লাগিব!! বাঃ বাঃ ... কি মজজা ...!!
প্ৰজ্ঞাঃ কেতিয়াও নাথাকে ...
অংকুৰঃ থাকিব।
প্ৰজ্ঞাঃ কেতিয়াও নাথাকে ...
অংকুৰঃ থাকিব! থাকিবই!
প্ৰজ্ঞাঃ নাথাকে ...
অংকুৰঃ থাকিবই ...
প্ৰজ্ঞাঃ নাথথাকে ...

**(থাকিব – নাথাকিব কৰি কৰি কাজিয়া তুংগত উঠে। এনেতে ব্যতিব্যস্ত হৈ অভ্ৰনীল সোমাই আহে ...)**

অভ্ৰঃ অসস! লগালিনে আজি আকৌ তহঁতে!
প্ৰজ্ঞাঃ অ' দেউতা চোৱানা। .. ডিজেল – পেট্ৰ'লৰ দাম বাঢ়িল বুলিয়েই সি মোৰ স্কুটিখন গেৰেজত বন্ধ কৰি থ'ব লাগিব বুলি ভয় খুৱাইছে ...
অভ্ৰঃ অং – কু – ৰ? (হয় নে অৰ্থত)
অংকুৰঃ জানা দেউতা! মইনো কি মিছা কথা ক'লো, ডিজেল – পেট্ৰ'লৰ দাম দেখোন দিনে দিনে বাঢ়িয়েই আছে। কমাৰ নাম – গোন্ধেই নাই ...। ..এনেদৰে গৈ গৈ এদিন যেতিয়া ... লিটাৰে প্ৰতি এক হাজাৰ হ'বগৈ ...
অভ্ৰঃ হাঃ হাঃ হাঃ! অ' সে – সে – সেইটোহে কথা। হাঃ হাঃ হাঃ
প্ৰজ্ঞাঃ হাৰে দেউতা! তুমিছোন 'বিচাৰ' কৰিব এৰি ... হাঃ – হাঃ – হাঃ কৰিব ধৰিছা।
অভ্ৰঃ হাঃ হাঃ হাঃ! ইয়াত আৰু 'বিচাৰ'ৰ কি আছে অ' মা! হাঃ হাঃ হাঃ
প্ৰজ্ঞাঃ চোৱা, ই ভুল কথা কৈ মোক জোকাব ধৰিছে ...
অংকুৰঃ ... নহয় দেউতা! বাই হে মোৰ সচা কথাটো মানি ল'ব পৰা নাই। .. বাৰু দেউতা! তুমিয়েই কোৱাছোন কোন সচা কোন মিছা?
অভ্ৰঃ শুন বাছাহত! ইয়াত 'মিছা' কোনোৰেই নহয়, - তহঁত দুয়োটাই সচা! দুয়োটাই সচা কথাকেই কৈছ ...
দুয়োঃ হাৰে – ৰে...! সেইটো কেনেকৈ হ'ব?

অভ্ৰঃ চা! তহঁতে জানই যে ডিজেল আৰু পেট্ৰল হৈছে প্ৰাকৃতিক সম্পদ, প্ৰকৃতিৰ পৰা আহৰণ কৰা খাৰুৱা তেলৰ পৰা প্ৰস্তুত কৰা ইন্ধন আৰু ইয়াৰ ভাণ্ডাৰ সীমিত। তদুপৰি খাৰুৱা তেল প্ৰস্তুত হ'বৰ বাবে নিযুত নিযুত বছৰ লাগে ...।

অংকুৰঃ তেনেহ'লে দেউতা! ভাণ্ডাৰ সীমিত যেতিয়া সেয়াতো এদিন শেষ হ'বই।

অভ্ৰঃ হ'বইতো। আমি যিদৰে তাক যধে – মধে বে-হিচাপত খৰচ কৰিছো, সেই হিচাপতেই কৰি থাকিলে, অতি সোনকালেই সেই ভাণ্ডাৰ শেষ হৈ যাব ...

অংকুৰঃ সেয়া চা! মোৰ কথাই সচা। হাঃ হাঃ হাঃ পেট্ৰ'ল – ডিজেল নোহোৱা হৈ গ'লে – হাঃ হাঃ হাঃ তই আৰু স্কুটি কেনেকৈ চলাবি?

প্ৰজ্ঞাঃ যাঃ 'যুজুৰা' টো ক'ৰবাৰ!!

অভ্ৰঃ আমাৰ অংকুৰৰ কথা যেনেকৈ সচা, তেনেকৈ প্ৰজ্ঞাৰ কথাও সচা ...

প্ৰজ্ঞাঃ বাঃ বাঃ! কেনে মজা?? (হাত চাপৰি)

অংকুৰঃ দেউ – তা!! (অভিমান)

অভ্ৰঃ চা! পেট্ৰ'ল – ডিজেল নোহোৱাহৈ গ'লেও যাতে প্ৰজ্ঞাৰ স্কুটী আৰু যান – বাহনবোৰ চলি থাকিব পাৰে, তাৰ বাবে অইন ইন্ধনৰ ব্যৱস্থাও ওলাই যাব .. গতিকে ...

প্ৰজ্ঞা আৰু অংকুৰঃ (সুৰত) তয়ো সচা ময়ো সচা। বাঃ বাঃ কি মজা/ দে এতিয়া হাত মিলা। .. কাজিয়া শেষ, মিৎমাৎ শুৰু ... হাঃ হাঃ হাঃ

প্ৰজ্ঞাঃ দেউতা! তুমি কোৱা কথাবোৰ বেছ ভাল লাগিছে আৰু অলপ বুজাই ক'বা নেকি?

অলপ – চলপ মাৰেও জানিব লাগে। দে মাৰকো মাত ...

অংকুৰ আৰু প্ৰজ্ঞাঃ মা! অ' মা! .. দেউতাই মাতিছে। সোনকালে আহা ...

অংকিতাঃ গৈছো ৰহ। কিহৰ নো ইমান ইমাৰ্জেন্সি কল আকৌ। (সোমাই আহে) কি হ'ল কওক।

অভ্ৰঃ কি হ'ল মানে? .. এই অংকুৰ আৰু প্ৰজ্ঞাৰ কাজিয়া ভাঙিবলৈ যাওঁতে তোমাৰ সেই এলপিজি গেচৰ কথাও মনত পৰিল ...

অংকুৰঃ মা! সাৱধান!! হোচিয়াৰ!!! তোমাৰ ৰন্ধন গেচৰ যোগান বন্ধ হ'বলৈ আৰু বেছি দিন নাই ... তেতিয়া তুমি মাটিৰ চৌকাত আগৰদৰে কেচা খৰি ফুৱাই ফুৱাই ...

অংকিতাঃ যাঃ বদমাইচতো ক'ৰবাৰ। ইমান ভয় লগা কথাবোৰ নক'বি দেই ... বৰ ভয় লাগে অ' ...

প্ৰজ্ঞাঃ জানা মা সচাকৈয়ে ভয় লগা, সচাকৈয়ে ভয়ংকৰ

অংকিতা। হে –হে – হেৰি! হ –হ – হয় নেকি হে...

অভ্ৰঃ হয় মানে ... হয়েইতো। পিছে জানি – বুজি শিকি ল'লে অৱশ্যে ভয়ৰ কাৰণ নাই ...

অংকিতাঃ হ-হ-হয় নেকি? উস্ ৰক্ষা তেওঁ!! .. দিয়ক দিয়ক সোনকালে কওক ...

অভ্ৰঃ শুনা! .. পেট্ৰ'ল – ডিজেল নোহোৱা হৈ গ'লে ইহঁতৰ যাতে অসুবিধা নহয়, ৰন্ধন গেচ নোহোৱা হৈ গ'লে তুমি যাতে অসুবিধাত নপৰা, এয়া .. এয়া ঠিক তাৰেই কথা ...

অংকিতাঃ দিয়ক, দিয়ক সোনকালে আৰম্ভ কৰক।

অভ্ৰঃ চোৱা। ঘাইকৈ প্ৰাকতিক সম্পদৰ ভিত্তিতেই আমাৰ দৈনন্দিন জীৱন অতিবাহিত হয়। খোৱা –লোৱা, পিন্ধা – উৰা, ঘূৰা –ফুৰা, স্বাস্থ্যকে আদি কৰি সকলোবোৰতেই আমি প্ৰাকৃতিক সম্পদেই ব্যৱহাৰ কৰো।

প্ৰজ্ঞাঃ তাৰ মানে দেউতা! প্ৰকৃতিৰ পৰা আহৰণ কৰা প্ৰতিবিধ বস্তুৱেই প্ৰকৃতিৰ সমল বা সম্পদ।

অভ্ৰঃ এৰা! পিছে তাতো এটা 'কিন্তু' আছে। প্ৰকৃতিৰ পৰা আহৰণ কৰা যি কোনো বস্তুই আমাৰ ব্যৱহাৰত আহিব লাগিব আৰু তাৰ বাবে উপযুক্ত প্ৰযুক্তি থাকিব লাগিব বা ব্যৱহাৰ কৰিব পাৰিব লাগিব।

অংকুৰঃ তাৰ মানে দেউতা! কয়লা, ডিজেল, পেট্ৰ'লিয়াম আদিতো নিযুত নিযুত বছৰ ধৰি মাটিৰ তলতেই আছিল। সেইবোৰ ব্যৱহাৰ হ'বৰতো বেছি দিন হোৱা নাই। তেনেহ'লে সেইবোৰ ...?

অংকিতাঃ চা! গাড়ী – মটৰ আদি ওলোৱাৰ আগতে তেল – ডিজেলৰ দৰ্কাৰেই নাছিল। গতিকে প্ৰাকৃতিক সম্পদ হ'লেও, সেইবোৰ ব্যৱহাৰত অহা নাছিল। গতিকে ...

অভ্ৰঃ তুমি ঠিকেই কৈছা। তেতিয়া সেইবোৰ আছিল যদিও, ব্যৱহাৰত নহা বাবে 'প্ৰাকৃতিক সম্পদ' বোলা হোৱা নাছিল। .. প্ৰাকৃতিক সম্পদৰ ধাৰণাটো বহু পিছৰহে .. মানে সাম্প্ৰতিক হে।

অংকিতাঃ ... তেতিয়াহ'লে প্ৰাকৃতিক সম্পদৰ দুটা ভাগেই থাকিব লাগিব। এটা গছ – গছনি – জীৱ কুলৰে সৈতে আৰু আনটো বায়ু – মাটি – পাণী আদি ...
অভ্ৰঃ এৰা! প্ৰথম বিধৰপৰা আহৰণ কৰাবোৰক জৈৱিক সম্পদ আৰু দ্বিতীয় বিধৰপৰা আহৰণ কৰা বোৰক অজৈৱিক সম্পদ বোলে।
অংকিতাঃ তেতিয়াহ'লে পেট্ৰ'ল – ডিজেলকে ধৰি মোৰ ৰন্ধন গেচো জৈৱিক প্ৰাকতিক সম্পদ?
প্ৰজ্ঞাঃ হয়তো। .. বাৰু দেউতা! জীৱ – জন্তু, গছ – গছনি আদিৰতো বংশ বৃদ্ধি হৈয়েই থাকে। এই বোৰৰপৰা পোৱা সম্পদ দেখোন কেতিয়াও শেষেই হ'ব নালাগে ...। তেনেহ'লে পৃথিৱীৰ তেল আৰু ডিজেলৰ ভাণ্ডাৰ শেষ হৈ যাব বুলি ... ই ...ই মোক কিয় ভয় খুৱায়?
অংকিতাঃ অংকুৰ। দে ক' এতিয়া।
অংকুৰঃ এহ্! তাকো নাজান? শুন! গছ – গছনি জীৱ – জন্তু আাদি মৰি পথিৱীৰ ভিতৰলৈ সোমাই গ'লে সেইবোৰৰ ওপৰত চাপ পৰে। সেই চাপৰ বাবেই নিযুত – কৌটি বছৰৰ ফলত ভূগৰ্ভত খাৰুৱা তেল সষ্টি হয়। .. তেল উৎপন্ন হবলৈ কেইবা নিযুত – কৌটি বছৰ লাগে। .. তেনেহ'লে এই নিযুত – কৌটি বছৰত নতুনকৈ তেল উৎপন্ন হোৱাৰ আগতে, জমাহৈ থকা তেল শেষ হৈ নাযাব?
প্ৰজ্ঞা আৰু অংকিতাঃ যাবতো! .. অ' সেইটোহে কথা।
অভ্ৰঃ অংকুৰে ঠিক কথাকেই কৈছে। আকৌ চোৱা... গছ –গছনি আৰু জীৱজন্তুৰ বংশ বৃদ্ধি হৈয়েই থাকে। গছ – গছনিয়ে বিষাক্ত কাৰ্বন – ডাই – অক্সাইড শোষণ কৰি অক্সিজেন এৰি দিয়ে। এইটো এটা স্বয়ংক্ৰিয় প্ৰক্ৰিয়া ...
অংকিতাঃ ... মানে স্বয়ংক্ৰিয় উপযুক্ত প্ৰযুক্তি?
অভ্ৰঃ নিশ্চয়। সেয়ে গছ – গছনি আৰু অৰণ্য আমাৰ বাবে অতি উপযোগী জৈৱিক প্ৰাকতিক সম্পদ। এই সম্পদৰ উৎস নিজে নিজেই পুনৰায় উৎপন্ন হৈ থাকে। সেইবাবে এই ধৰণৰ সম্পদক পুনৰ নবীকৰণ যোগ্য উৎস বোলে।
অংকিতাঃ অ' সেয়েহে চৰকাৰে গছ – গছনি কতাৰ বিৰুদ্ধে আইন কৰি বনানিকৰণৰ ওপৰত যোৰ দিছে।
অভ্ৰঃ এৰা! লগতে আৰু এটা কথা ...
তিনিওঃ কি?
অভ্ৰঃ জীৱ – জন্তু, গছ – গছনি, বায়ু – মাটি – পাণী আাদিয়ে মিলি এক সমন্বয়ৰ সষ্টি কৰিছে। এই সমন্বয়ৰ কাৰনেই পৃথিৱীখন মানুহৰ বাসযোগ্য হৈ উঠিছে। এই সমন্বয়কেই বিজ্ঞানৰ ভাষাত ভাৰসাম্য বুলি কোৱা হয়। ইংৰাজীতে বেলেগ ...
অংকিতা আৰু প্ৰজ্ঞাঃ... ভাৰসাম্য মানে বেলেন্স।
অভ্ৰঃ যিবোৰ গ্ৰহত এনে ভাৰসাম্য নাই, সেইবোৰত মানুহ থাকিবই নোৱাৰে ...
অংকুৰঃ অ' সেইবাবেই বোধকৰো ... আমাৰ পৃথিৱীৰ বাহিৰে আৰু কোনো গ্ৰহতেই মানুহৰ সন্ধান পোৱা নাই!
অভ্ৰঃ এৰা! বাৰু, এতিয়া কোৱাছোন, - প্ৰজ্ঞাই যে পেট্ৰ'ল ভৰায়, সেয়া নবীকৰণযোগ্য নে?
প্ৰজ্ঞাঃ ... ন – ন – নহয় যেন লাগিছে।
অংকুৰঃ কিয়নো?
প্ৰজ্ঞাঃ কাৰন সেইবোৰ মৰা গছ – গছনি আৰু মৃত অনুজীৱ আদিৰ পৰা উৎপন্ন হোৱা। মৰা গছনি আৰু মৃত অনুজীৱৰতো বংশ নাবাঢ়ে ... গতিকেই ...
অংকুৰঃ .. এইবোৰ নবীকৰণ যোগ্য উৎস নহয়। দেউতা! শুদ্ধ উত্তৰ দিয়া বাবে অংকিতালৈ পুৰা দহৰ ভিতৰত দহ নম্বৰ ...
(আটায়ে হাত তালি দিয়ে)
অভ্ৰঃ মোৰ ফালৰ পৰাও দহৰ ভিতৰত দহ .. হাঃ হাঃ হাঃ .. বাৰু শুনা। নৱীকৰণ কৰিব নোৱাৰা উৎস আৰু শক্তিক সেই কাৰণে নৱীকৰণ – অযোগ্য বোলে। ইংৰাজীতে নন্ – ৰিনেউৱেল।
বাকী তিনিওঃ নৱীকৰণ – অযোগ্য মানে নন – ৰিনিউৱেল।।
প্ৰজ্ঞাঃ তা – তাৰ মানে দেউতা। নৱীকৰণ যোগ্য উৎস বা সম্পদবোৰ নোহোৱা হৈ যাব পাৰে?
অংকুৰঃ পাৰেতো। শতকৰা এশভাগেই পাৰে। বাল্টি এটাত পাণী ভৰ্তি কৰি তই যদি ঘটিয়ে ঘটিয়ে পাণী খৰচ কৰি গা ধুই থাক, বাল্টিৰ পাণী শেষ নহ'ব নে?

অংকিতাঃ যিমানে খৰকৈ মানে যধে – মধে ঘটিয়ে ঘটিয়ে পাণী ঢালিবি, সিমানেই সোনকালে বাল্টিৰ পাণী শেষ হৈ যাব। আৰু যদি লাহে ধীৰে হিচাপ কৰি পাণী ঢাল ...
প্ৰজ্ঞা আৰু অংকুৰঃ ... বৈ যোৱা পাণী আনেও ব্যৱহাৰ কৰিব পাৰিব।
অভ্ৰঃ মাৰাই ভাল উপমাকেই দিছে।
অংকুৰঃ তেনেহ’লে দেউতা! ভাল উপমাৰ বাবে এইবাৰ আমাৰ ’মা মহিমাময়ী’ লৈ ...
বাকী তিনিওঃ ... দহৰ ভিতৰত দহ নম্বৰ। হাঃ হাঃ হাঃ
অংকিতাঃ ... বুজিছ প্ৰজ্ঞা। বুজিছ অংকুৰ। .. আজি – কালি দেখিছো বিজ্ঞান – প্ৰযুক্তি ইমানেই আগ বাঢ়ি গৈছে যে ... চুইচ – টিপিলো – কাম – হৈ – গ’ল কৰিলেই নহয়, - ব্যৱহাৰ কৰা বস্তুবোৰৰ বিষয়ে বহু কথাই জানি ল’ব লাগে ...
প্ৰজ্ঞা আৰু অংকুৰঃ হয় মা!
অভ্ৰঃ নহ’লে, হয় শ’লঠেকত পৰিব লাগে, নহ’লে হয়তো বিপদতো পৰিব লাগে। .. বাৰু! আমি এটা কাম নকৰো কিয়?
বাকী তিনিওঃ কি??
অভ্ৰঃ ... এইবোৰ বিষয়ে জানিবলগীয়া আৰু বহুতো কথাই আছে। .. সেইবোৰ জনাৰ বাবে .. আমি অহা শুকুৰবাৰলৈ তিনি দিনৰ কাৰণে প্ৰিয়াংশু হতৰ তালৈ নাযাও কিয়?
অংকিতাঃ ... ইহতৰ জেঠায়েকৰ ল’ৰা প্ৰিয়াংশু?
প্ৰজ্ঞা আৰু অংকুৰঃ অ’ প্ৰিয়াংশু দাদাৰ তালৈ .. বঢ়িয়া হ’ব! বঢ়িয়া হ’ব!!
অভ্ৰঃ সি এতিয়া অ’এনজিচিত জ্যেষ্ঠ বিষয়া নহয়, সি হাতে – কামে দেখুৱাই বহুত কথাই জনাব পাৰিব।
প্ৰজ্ঞা আৰু অংকুৰঃ ... শিকাও হ’ব আৰু জেঠাইৰ হাতৰ সুন্দৰ সুন্দৰ আঞ্জা – পাতিও খোৱা হ’ব ..আমাৰ জেঠাই জিন্দাবাদ! প্ৰিয়াংশু দাদা জিন্দাবাদ!! আমি সোনকালেই তোমালোকৰ তালৈ গৈ আছো .. হাঃ হাঃ হাঃ।

(সংগীতেৰে সময়বিৰতি)

(তেল কোম্পানীৰ উৎপাদন কেন্দ্ৰৰপৰা প্ৰিয়াংশুকে ধৰি অভ্ৰৰ পৰিয়ালটো ওলাই আাহে।)

অংকুৰঃ প্ৰিয়াংশু দাদা। তোমালোকৰ উৎপাদন কেন্দ্ৰটোৰ চাইদ কিন্তু বৰ ধুনীয়া, ইমানবোৰ গছ – গছনি।
প্ৰজ্ঞাঃ পিছে দাদা! গছ –গছনিৰ পাতবোৰ দেখোন তেলেতীয়া আৰু ধূলি লগা ...
প্ৰিয়াংশুঃ তোমালোকে ভালেই মন কৰিছা। .. গছ – গছনি নাথাকিলে কি হ’লহেতেন কোৱাচোন।
অংকুৰঃ ··· গছৰ ডালে পাতে লাগি থকা ধূলি আৰু তেলচিকটি স-ব তোমালোকৰ লাং আৰু হাৰ্ট পালেগৈ হয় ...
প্ৰিয়াংশুঃ অংকুৰে ঠিক কথাই কৈছা!! তেল কোম্পানীবোৰত কত ধৰণৰ যে প্ৰদূষণ ...!!
অংকিতাঃ বাৰু প্ৰিয়াংশু! এটা কথা কোৱাছোন। এই যে দিনে দিনে পেট্ৰ’ল – ডিজেল আৰু ৰন্ধন গেচৰ দাম বাঢ়ি থাকে, তাৰ কাৰণনো কি? আমি দামৰ প্ৰকোপত একেবাৰে তামা – কাহা দেখি আছো ...
প্ৰিয়াংশুঃ হাঃ হাঃ হাঃ ...। অ’ মামী! এই কথাটোৰ বাবে তোমাৰ দৰে আৰু বহুতেই আমাকেই জগৰীয়া কৰে। কিছুমানে আকৌ চৰকাৰকো দোষ দিয়ে। তেলৰ দামৰ ওপৰত তেল কোম্পানী বা চৰকাৰ কাৰো নিয়ন্ত্ৰণ নাই, - ইয়াৰ দাম আমাক তেল যোগান ধৰা দেশবোৰেই নিয়ন্ত্ৰণ কৰে। আন্তৰ্জাতিক বজাৰত তেলৰ দাম উঠা – নমা হৈয়েই থাকে। .. অৱশ্যে তেলৰ ওপৰত চৰকাৰে নিজাকৈ কৰ লগায়। এই কৰৰ পৰিমাণ বেছি হ’লে, আন্তৰ্জাতিক কৰতকৈ আমাৰ ইয়াত দাম বেছি হয় ...
অভ্ৰঃ অ’ সেইটোহে কথা!
অংকিতাঃ চোৱাছোন চোৱা। আমি যেতিয়া প্ৰথমে ৰন্ধন গেচ লৈছিলো চিলিণ্ডাৰ একোটাৰ দাম আছিল ত্ৰিশ টকা আৰু এতিয়া ...
প্ৰজ্ঞা আৰু অংকুৰঃ প্ৰায় সাত শ!!
অংকুৰঃ জানা দাদা! গেচৱালাক পইচা দিবৰ সময়ত মাৰ মুখখন চাবলগীয়া হয়। মুডো বেয়া হৈ যায় ... হকে – বিহকে আমাক গালিও পাৰে, কোৱাছোন প্ৰিয়াংশু দাদা! আমাক যে গালি পাৰে ... আমি জানো তেল আৰু গেচৰ টেক্স বঢ়াইছো .. . হাঃ হাঃ হাঃ

(আটায়ে হাহে)
প্ৰিয়াংশুঃ এতিয়া শুনা, বস্তুৰ দাম হো-হোকৈ বাঢ়িলে বেয়া লাগে হয়, পিছে যোগান আৰু চাহিদাৰ ব্যৱধান বেছি হ'লেই, বস্তুৰ দাম বাঢ়ে। ডিজেল, পেট্ৰ'লিয়াম, গেচ আদিৰ ক্ষেত্ৰতো সেই একেটাই কথা!
অভ্ৰঃ বাৰু প্ৰয়াংশু! মানুহে ব্যৱহাৰ কৰা বিভিন্ন ধৰণৰ ইন্ধনৰ ভিতৰত খাৰুৱা তেলৰ পৰা পোৱা ইন্ধনেই বেছি নহয় জানো?
প্ৰিয়াংশুঃ ক'ব লাগিছে নে আৰু! .. ঘৰ, উদ্যগ আৰু যান –বাহণৰ ক্ষেত্ৰতেই আমি, খাৰুৱা তেলৰপৰা পোৱা ইন্ধনেই প্ৰায় আধাই ব্যৱহাৰ কৰো। গতিকে চাহিদা বাঢ়ি গৈ আছে ... কিন্তু ...
অভ্ৰঃ ... জমা থকা উৎসৰ পৰিমান
অটায়েঃ ... সেই একেই আছে ...!!
প্ৰিয়াংশুঃ এনে অৱস্থাত 'বেচেৰা' তেলৰ ভাণ্ডাৰ আৰু কিমান দিন টিকিব?? তলি উদং হ'বৰ হ'বই আৰু .. .
অটায়েঃ ইয়ে..!! এইটোতো ভয়ানক কথা হ'বগৈ...
প্ৰজ্ঞা আৰু অংকুৰঃ ... আ – আ – আৰু ... কিমান দিন চলিব নো? ইচ্ ..। আমাৰ দেখোন ভয়েই লাগিছে .. মা! তোৰ ..??
অংকিতাঃ এহ্। কৈছ হে নে আৰু ...!! বাপৰে বাপ!!
প্ৰিয়াংশুঃ ৰ'বা ৰ'বা! তলি উদঙৰ হিচাপ দিয়াৰ আগতে ... আমাৰ দেশত এতিয়া কিমান পেট্ৰ'লিয়াম আাছে, তাৰেই খবৰ দিও
প্ৰজ্ঞা আৰু অংকুৰঃ ... কি – কি – কিমান আছেনো দাদা?
প্ৰিয়াংশুঃ ভাৰতত এতিয়া ন শ হেজাৰ নিযুত লিটাৰ পেট্ৰ'লেয়ামহে আছে ...
বাকীবোৰঃ ন শ হেজাৰ নিযু –ত!!
প্ৰয়াংশুঃ অ' ন শ হেজাৰ নিযুত। .. এই জমা পৰিমান বিশ্বৰ ভিতৰতেই দ্বিতীয়, - প্ৰথম স্থানত আছে চীন দেশ .. আৰু শুনা, আমি এতিয়া যেনেকৈ যধে – মধে হকে বিহকে পেট্ৰ'ল আৰু ইয়াৰপৰা পোৱা অন্যান্য ইন্ধন ব্যৱহাৰ কৰিব ধৰিছো ... সেই হিচাপত চলি থাকিব লাগিলে ... এই ভাণ্ডাৰ ... এই ভাণ্ডাৰ ... মাত্ৰ পঁচিশ বছৰতে ... শে – ষ হৈ যা-ব!
অংকুৰঃ অ' দাদা! অ' মা!! ... মোৰ ঠিক বিয়াৰ সময়তেই দেখো-ন সে-সে-ই মহা – প্ৰ-ল-য়টো ঘটিব!! .. ইচ্! কি যে হ'ব...!! .. অ' দাদা! শুনিছা ... মই আজি ইয়াতেই শইত শইত তিনি শ' শইত খাই কৈছো ... এতিয়াৰেপৰা মইতো আৰু কেতিয়াও যধে – মধে শক্তিৰ অপচয় নকৰোই, আনকো কৰিবলৈ মানা কৰিম ...
বাকী আটায়েঃ ব-ৰ ভাল কথা! ব-ৰ ভাল প্ৰতিজ্ঞা!!
প্ৰিয়াংশুঃ অংকুৰ ভাইটিয়ে ব-ৰ ভাল কথাই কৈছে। .. ইয়াৰ দৰে সকলোৱে যদি সেই একে কামকেই কৰে .. তেতিয়া হয়তো ... আমাৰ তেলৰ ভাণ্ডাৰ পঁচিশ বছৰৰ ঠাইত ... টানি – মানি ... চল্লিশ মানলৈ যাব পাৰে ...
অংকিতাঃ তাৰ মানে .. এদিন নহয় এদিন .. আমাৰ এই তেলৰ ভাণ্ডাৰ শেষ হ'বই হ'ব ...
প্ৰিয়াংশুঃ হ'বতো!!
বাকীবোৰঃ (হতাশ হৈ) ই – য়ে -.....!!
প্ৰিয়াংশুঃ হতাশ নহ'বা অংকুৰ বাবা! তোমাৰ বিয়াৰ সময়লৈ বিজ্ঞানে ... নিশ্চয় অইন ধৰণৰ শক্তি উদ্ভাৱন কৰি উলিয়াব ... আৰু তোমাৰ বিয়াখনো সুকলমে হৈ যা-ব!!
অংকিতাঃ হ'লেও এনে নতুন ইন্ধনবোৰ ... পেট্ৰ'ল আৰু ডিজেলৰদৰে সুবিধাজনক হ'ব জানো?
অভ্ৰঃ ময়োতো ভাবো .. পেট্ৰ'ল আৰু ডিজেলৰদৰে ইমান সুবিধাজনক ইন্ধন ··· সহজে উলিয়াব পৰা সহজ নহ'ব।
প্ৰিয়াংশুঃ কথাটো ঠিক! আৰু সেই কাৰণেইতো বিজ্ঞানী সকলে বিষয়টো লৈ ··· ইমান-ন মূৰ ঘমাইছে ..।। তেওঁলোকে ইতিমধ্যে বেলেগ ধৰণৰ ইন্ধন, মানে বিকল্প ইন্ধনৰ ব্যৱস্থাও কৰিছে ...
অংকুৰ আৰু প্ৰজ্ঞাঃ .. মানে দাদা! তুমি চিএনজি আৰু বেটেৰীৰে যান –বাহন চলোৱাৰ কথা কৈছা নহয়!
প্ৰিয়াংশুঃ অ! সম্প্ৰতি গোটেই বিশ্বতেই প্ৰায় পঁচিশ নিযুত যান-বাহন চিএনজিৰে চলি আছে।
অভ্ৰঃ চিএনজিতো কম্প্ৰেচড নেচাৰেল গেচ মানে বেছি চাপত ৰখা প্ৰাকৃতিক গেচ?
প্ৰিয়াংশুঃ হয়! .. পিছে গোটেই বিশ্বত যিমানবোৰ যান –বাহন চিএনজিৰে চলাটো একো ...

আটায়েঃ ... ডাঙৰ কথা নহয়।
প্ৰিয়াংশুঃ নিশ্চয় নহয়। কিন্তু সৰুকৈ হ'লেও আৰম্ভণি এটা হৈছে যেতিয়া, ইয়াৰ আত ধৰি হয়তো আৰু বহুত কিবাকিবি কৰিব পৰা যাব ... আচলতে বিকল্প শক্তি উৎস বা ইন্ধনৰ ক্ষেত্ৰত আৰম্ভণিটোৱেই ডাঙৰ কথা ...
অভ্ৰঃ নিশ্চয়। মাজতে এলপিজি গেচ মানে ৰন্ধন গেচ ব্যৱহাৰ কৰিও গাড়ী – মটৰ চলোৱাৰ খবৰ পাইছিলো ...
প্ৰিয়াংশুঃ ... সেইটোৰ পৰা বৰ সুবিধা নহ'লগৈ। .. সেয়ে সেয়া এৰি ... এতিয়া আকৌ বেটাৰীৰে যান – বাহন চলোৱাৰ পৰীক্ষা – পাতি চলি আছে। বহুতৰেই ধাৰণা ... অদূৰ ভৱিষ্যতে বেটাৰি চালিত গাড়ী – মটৰেও ... ইন্ধনৰ নাটণিৰ ক্ষেত্ৰত আমাক ভালেখিনি সকাহ দিব পাৰিব।
অংকিতাঃ তাৰ মানে প্ৰিয়াংশু! ... গৃহস্থই ঘৰ চলাবলৈ দিয়া ধনখিনিৰ ভড়ালী বা কোষাধ্যক্ষ হিচাপে যিদৰে গিৰিহঁতণীয়ে কাম কৰিব লাগে.. আৰু মাহটোৰ আধা মানতেই সেই ধন যাতে শেষ হৈ নাযায় ... তাৰ বাবে হিচাপ কৰি খৰচ কৰিব লাগে ... পৃথিৱীৰ তেলৰ ভাণ্ডাৰৰ ক্ষেত্ৰতো একেটাই কথা ...। হাঃ হাঃ হাঃ
অভ্ৰঃ দুয়োটাৰে মাজত পাৰ্থক্য মাথো একেটাই, - কি বাৰু? ক'ব পাৰিবানে প্ৰজ্ঞা আৰু অংকুৰ।
প্ৰজ্ঞাঃ .. মই কওঁ দেউতা?
অভ্ৰঃ কোঁৱা ।
প্ৰজ্ঞাঃ তুমি দিয়া মাহেকিয়া খৰচৰ ধনভড়ালী হ'লগৈ আমাৰ মা! আৰু ঘৰে ঘৰে এনেদৰে একোজনী ধনভড়ালী আছে ... কিন্তু 'তেলভড়ালী' ঘৰে ঘৰে কেৱল গিৰিহতনী হ'লেই নহ'ব ...
প্ৰজ্ঞা আৰু অংকুৰঃ  পৰিয়ালৰ সব্বেই হ'ব লাগিব ... আৰু
অংকিতা আৰু অভ্ৰঃ ... আৰু দেশৰ প্ৰতিটো পৰিয়ালেই, বিশ্বৰ প্ৰতিটো পৰিয়ালেই ... সুদক্ষ, মিতব্যয়ী।
আটায়েঃ ... তেল – ভড়ালী হিচাপে কাম কৰিব লাগিব ...
প্ৰিয়াংশুঃ হাঃ হাঃ হাঃ তেতিয়াহে আমাৰ ই শক্তিৰ সংকট আৰু ইন্ধনৰ সংকট ...
আটায়েঃ ... বহু পৰিমানে কমিব আৰু ... দূৰ হ'ব।
(হাতচাপৰি)
প্ৰিয়াংশুঃ বুজিছা নে প্ৰজ্ঞা আৰু অংকুৰ! এই 'ভড়ালী' বা 'ৰখীয়াৰ' ধাৰণা সকলো ধৰণৰ প্ৰাকৃতিক সম্পদতেই খাটে ... এই ধৰাছোন ... অৰণ্য আৰু বনজ সম্পদ।
প্ৰজ্ঞাঃ তাৰ মানে পৰিয়াংশু দাদা!! .. আমি মানুহবোৰ কোনো ধৰণৰ প্ৰাকৃতিক সম্পদৰ আচল গৰাকী নহয়, - ৰখীয়া বা ভাণ্ডাৰীহে ...
প্ৰয়াংশুঃ এৰা! সেইটোৱেই আচল কামত অহা মানসিকতা, - আমাৰ বৰ্তমান আৰু তোমালোকৰ ভৱিষ্যৎ সুন্দৰ আৰু নিৰাপদ কৰি ৰখাৰ একমাত্ৰ উপায় ...
অভ্ৰঃ  হয়োতো। এই ধৰাছোন, আমাৰ অৰণ্য .. আৰু বনজ সম্পদবোৰৰ কথাই ধৰা। আমাৰ দৈনন্দিন জীৱণৰ বেছিভাগ প্ৰয়োজনেই বনজ সম্পদৰ পৰাই পোৱা ...
অংকুৰঃ ... তাৰ ভিতৰত আটাইতকৈ মূল্যৱান বিধ হ'লগৈ অ-ক্সি-জে-ন!
প্ৰজ্ঞাঃ এৰা! অক্সিজেন নহ'লে জীৱকুল বাচি থাকিব নোৱাৰে আৰু ... সেই অক্সিজেনৰ বেছিভাগেই যোগান ধৰে ... গছ – গছনিয়ে ...
প্ৰিয়াংশুঃ এৰা!! পৃথিৱীৰ মাটিকালিৰ প্ৰায় চাৰিভাগৰ এক এই অৰণ্য।
প্ৰজ্ঞা আৰু অংকুৰঃ চাৰি ভাগৰ এক ভাগেই ...??
প্ৰিয়াংশুঃ এৰা! আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰাৰ বাবে ... দেশ একোখনৰ মুঠ মাটিকালিৰ প্ৰায় তিনি ভাগৰ এভাগেই অৰণ্য হ'ব লাগে ...
অংকিতাঃ আমাৰ দেশতনো অৰণ্য এলেকা কিমান?
প্ৰিয়াংশুঃ প্ৰায় চাৰিভাগৰ এভাগ।
অংকুৰঃ তেনেহ'লে দেখোন শতকৰা প্ৰায় পাঁচভাগ মানেই কম ...
প্ৰিয়াংশুঃ .. কৈছা হে নে আৰু!! .. উত্তৰ প্ৰদেশ, হাৰিয়ানা আৰু পাঞ্জাৱ আদি প্ৰদেশত তো একেবাৰেই কম ... শতকৰা মাত্ৰ পাঁচ ভাগহে...
বাকীবোৰঃ মাত্ৰ পাঁচভাগহে!!

প্ৰিয়াংশুঃ বাৰু তোমালোকে কাটাৰ দেশখনৰ নাম শুনিছানে?
অংকুৰঃ সেইখন পূৱ আৰবৰ এখন সৰু দেশ।
প্ৰিয়াংশুঃ এৰা! কাটাৰত তেলৰ বৃহৎ ভাণ্ডাৰ আছে .. কিন্তু তাত অৰণ্য না-ই ... (কৌতূহলৰ সংগীত)
অংকুৰঃ হাৰে ...! তেনেহ'লে মানুহবোৰ বাচি আছে কেনেকৈ?
প্ৰিয়াংশুঃ তেওঁলোকে কৃত্ৰিমভাৱে অৰণ্য আৰু বনাঞ্চল সৃষ্টি কৰাৰ ব্যৱস্থা কৰি লৈছে।
অংকিতাঃ আও! কি বিষম কথাহে প্ৰিয়াংশু! .. অৰণ্য নোহোৱা বা কম থকা দেশবোৰে কৃত্ৰিম ভাৱে অৰণ্য সৃষ্টি কৰি লৈছে, আৰু আমি .. আমাৰ থকা অৰণ্যবোৰো ...
বাকীবোৰেঃ ... ধ্বংস কৰি গৈ আছো ...।।
প্ৰিয়াংশুঃ সেইটোৱেইতো আমাৰ ডাঙৰ দোষ, ক্ষমা কৰিব নোৱাৰা ... হঠকা – ৰিতা। (কৰুণ সংগীত)
অকল আমাৰ দেশতেই নহয়, - গোটেই বিশ্বতেই প্ৰগতিৰ নামত ... ১৯৯০ৰ পৰা মাত্ৰ পাচঁশ বছৰৰ ভিতৰতেই ... দ-হ- শতাংশ অৰণ্য আৰু বনাঞ্চল ধ্বংস কৰা হৈছে ...
অভ্ৰঃ .. আৰু তাৰ কুফল আজি ... আমি আটায়েই
বাকীবোৰঃ ... ভোগ কৰিব ধৰিছো!!
প্ৰিয়াংশুঃ এই হাৰত বন – অৰণ্য ধ্বংস হৈ থাকিলে, আমি এতিয়া হোৱাতকৈ আৰু বহুত বেছি দুৰ্য্যোগ আৰু দুদৰ্শাৰ মুখামুখি হ'ব লাগিব কিন্তু ...
অংকুৰঃ বাৰু দাদা! আমাৰ দেশৰ অৱস্থা নো কি?
প্ৰিয়াংশুঃ ভয়া – নক। ভয়া-ন-ক!! .. অকল ভয়ানকেই নহয়, - আত্মঘাতীও ...
অংকিতা আৰু অভ্ৰঃ ... কেনেকৈ নো?
প্ৰিয়াংশুঃ আমাৰ দেশত, খেতি – বাতি আৰু অইন অইন কামৰ বাবে, প্ৰতি বছৰে, পোন্ধৰ লাখ হেক্টৰ বন-অৰণ্য ধ্বংস কৰা হয় ...
বাকী চাৰিওঃ বাপৰে বাপ! প্ৰতি বছ –ৰে ... পোন্ধ – ৰ লা – খ হেক্টৰ!!
প্ৰিয়াংশুঃ এৰা! কেনে আত্মঘাতী পদক্ষেপ নহয়নে?
বাকি চাৰিঃ এস্! ক'ব লাগিছে নে আৰু ...
প্ৰিয়াংশুঃ এনে আত্মঘাতী কুকৰ্মৰ বাবেই .. আমাৰ পৃথিৱীখন প্ৰতি বছৰে ... গৰম হৈ হৈ গৈ আছে।
অংকিতাঃ ... তাৰ ফলতেই বোধকৰো .. যেতিয়াই তেতিয়াই কলহৰ কাণে ঢলা বৰষুণ ...
অভ্ৰঃ যেতিয়াই তেতিয়াই বানপাণী আৰু খৰাং আদিৰ
বাকী চাৰিওঃ ... উৎপাত সঘণে হ'ব ধৰিছে ...।
প্ৰিয়াংশুঃ এৰা! .. এইবোৰৰ উপৰিও ... আৰু বহু বিপদ ... আৰু বহু দুখ – দুৰ্য্যোগ আমাৰ বাবে আহি আছে। তাৰে এটা ইতিমধ্যে ধৰা পৰিছেই ...
বাকীবোৰঃ কি – ি – কি – নো সেইটো?? (ভয়ে ভয়ে)
প্ৰিয়াংশুঃ ১৯৭০ চনৰে পৰা মাত্ৰ ৩৫ বছৰৰ ভিতৰতেই পৃথিৱীৰ আধাতকৈও বেছি বন্যপ্ৰাণী কমি গৈছে। আৰু খোদ আমাৰ দেশতেই ... এশ বাসত্তৰ বিধ বন্যপ্ৰাণী বিলুপ্ত হওঁ হওঁ হৈ আছে ...। আৰু বন্যপ্ৰাণী এনেদৰে বিলুপ্ত হোৱা মানেইতো ...
প্ৰজ্ঞা আৰু অংকুৰঃ ... পৰিৱেশৰ ভাৰসাম্য নষ্ট হোৱা আৰু ...
অভ্ৰ আৰু অংকিতাঃ ... ভয়ংকৰ দুৰ্য্যোগক বৰপীৰা দি আমন্ত্ৰণ জনোৱা!!
প্ৰিয়াংশুঃ এৰা! সেইটোৱেই আচল কথা। অকল বন্যপ্ৰাণীয়েই নহয়, - তাৰ লগতে উদ্ভিদৰো ভালেমান প্ৰজাতি নোহোৱা হৈ আহিব ধৰিছে ...
অংকিতাঃ তেনেহ'লে এনে আত্মঘাতী অপকৰ্ম ...??
প্ৰিয়াংশুঃ ইয়াক যেনে তেনে ৰোধ তো কৰিবই লাগিব। তাৰ লগতে ... দেশৰ বিভিন্ন প্ৰান্তত অসংখ্য ৰাষ্ট্ৰীয় উদ্যান, জৈব – সংৰক্ষণ এলেকা আৰু অভয়াৰণ্য গঢ়ি তুলিব লাগিব...
অংকিতাঃ ... এৰা! এইবোৰ কিছু পৰিমাণে হ'লেও, বিলুপ্ত হ'ব ধৰা বন্যপ্ৰাণী আৰু উদ্ভিদকুলক ...

বাকী চাৰিওঃ ... সকাহ দিব পাৰিব।
প্ৰিয়াংশুঃ .. এই দিশত কাম আৰম্ভ হৈছে যদিও, এতিয়াও কৰিবলৈ বহুতেই বাকি। সেই বাবে এনেবোৰ সংশোধনীমূলক কাম কৰাৰ লগে লগে ... আমি কিন্তু যধে - মধে হকে - বিহকে প্ৰাকৃতিক সম্পদ ...
আটায়েঃ ... খৰচ আৰু ধ্বংস কৰাৰপৰা বিৰতও থাকিব লাগিব।
প্ৰিয়াংশুঃ ... তাৰ বাবে আটাইতকৈ বেছি কামত অহা কথাটো হ'লগৈ, -
অংকিতা আৰু অভ্ৰঃ ... আমি সকলোৱে বুজিব লাগিব যে ...
প্ৰজ্ঞা আৰু অংকুৰঃ ... আমি সকলো ধৰণৰ প্ৰাকৃতিক সম্পদৰে ...
আটায়েঃ .. ৰখীয়া বা ভাণ্ডাৰীহে ... অবিসম্বাদী মালি-ক নহ-য় ...।
(শীৰ্ষক গীতৰ একাংশ)

প্ৰশ্ন

১. কোনখন দেশত বন-অৰণ্য নাছিল আৰু তাত সেইবোৰ কৃত্ৰিমভাৱে সৃষ্টি কৰাৰ ব্যৱস্থা কৰা হৈছে?

- পূৱ আৰবৰ কাটাৰ।

২. পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে দেশ একোখনৰ মুঠ মাটিকালিৰ কিমান ভাগ বা শতাংশ বন আৰু অৰণ্য হব লাগে?

- তিনি ভাগৰ এভাগ।

*******************************************************************************